ভাৰত চৰকাৰ

বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# ডককৰ্মী ( নিয়োগ বিনিয়মন ) অধিনিয়ম, ১৯৪৮

( ১৯৪৮ চনৰ ৯ নং অধিনিয়ম )

[ ২৫ নৱেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

# The Dock Workers (Regulation of Employment) Act, 1948

(Act No. IX of 1948)

[As on the 25th November, 1992]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ )ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ডককৰ্মী (নিয়োগ নিয়মন) অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ ৯ নং'ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৭১ - ৮০ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Dock Workers (Regulation of Employment) Act, 1948 (9 of 1948) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 71 - 80.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

ডককৰ্মী (নিয়োগ বিনিয়মন) অধিনিয়ম ১৯৪৮

ধাৰা সমূহৰ ক্ৰম

ধাৰাসমূহ

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

২। পৰিভাষা ।

৩। কৰ্মীসকলৰ নিয়মিত নিয়োগ সুনিশ্চিত কৰাৰ নিমিত্তে আঁচনি ।

৪। আঁচনিবোৰৰ প্ৰণয়ন, পৰিবৰ্তন আৰু প্ৰত্যাহাৰ কৰা

৫। উপদেষ্টা সমিতি ।

৫ ক। ডক শ্ৰমিক বোৰ্ড ।

৫ খ। বোৰ্ডৰ কৃত্য সমূহ।

৫ গ। হিচাপ-পত্ৰ আৰু লেখা পৰীক্ষা

৫ ঘ। বাৰ্ষিক প্ৰতিবেদন ।

৫ ঙ। বাৰ্ষিক প্ৰতিবেদন আৰু পৰীক্ষিত হিচাপবোৰ সংসদ বা বিধান মণ্ডলৰ সন্মুখত উপস্থাপন কৰিব ।

৬। পৰিদৰ্শক সকল ।

৬ ক। তদন্ত কৰিবলৈ আদেশ দিয়াৰ ক্ষমতা ।

৬ খ। কোনো এক বোৰ্ডক অতিক্ৰমন কৰাৰ ক্ষমতা ।

৬ গ। বোৰ্ড বা উপদেষ্টা সমিতিয়ে কৰা কাৰ্য্য বা কাৰ্য্যবাহীবোৰ অবিধিমান্য নহব ।

৭। অপৰাধবোৰৰ সংস্থান ।

৭ ক। কোম্পানীৰ দ্বাৰা অপৰাধ।

৮। নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ।

৮ ক। আঁচনি আৰু নিয়মাৱলী সংসদৰ আগত ৰাখিব লাগিব ।

৯। ব্যাবৃত্তি ।

সংশোধনী অধিনিয়ম আৰু অনুকূলন আদেশৰ তালিকা

১। ডককৰ্মীসকলৰ (নিয়োগ বিনিয়মন) সংশোধন অধিনিয়ম, ১৯৪৯ (১৯৪৯ ৰ ২৯)।

২। অনুকূলন আদেশ, ১৯৫০।

৩। ভাগ খ ৰাজ্যবোৰৰ (বিধি) অধিনিয়ম, ১৯৫১ (১৯৫১ ৰ ৩)।

৪। ডককৰ্মীসকলৰ (নিয়োগ বিনিয়মন) সংশোধন অধিনিয়ম, ১৯৬২ (১৯৬২ ৰ ৮)।

৫। ১৯৭০ চনৰ ৩১ নং অধিনিয়ম।

৬। ১৯৮০ চনৰ ৪৯ নং অধিনিয়ম।

৭। ১৯৮৬ চনৰ ৫৪ নং অধিনিয়ম।

৮। ১৯৮৮ চনৰ ৫৬ নং অধিনিয়ম।

# ডককৰ্মী (নিয়োগ বিনিয়মন) অধিনিয়ম, ১৯৪৮

(১৯৪৮ চনৰ ৯ নং অধিনিয়ম)

[২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান]

[৪ মাৰ্চ, ১৯৪৮]

ডককৰ্মীসকলৰ নিয়োগ বিনিয়মন কৰিবৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু ডককৰ্মীসকলৰ নিয়োগ বিনিয়মন কৰিবৰ বাবে উপবন্ধ কৰাটো সমীচীন,

এতদ্দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হৈছে :—

সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

১। (১) এই অধিনিয়মখন ডককৰ্মী (নিয়োগ বিনিয়মন) অধিনিয়ম, ১৯৪৮ নামে অভিহিত হ'ব।

[1] ইয়াৰ বিস্তাৰ [জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে] সমগ্ৰ ভাৰততে হ'ব।

পৰিভাষা।

২। বিষয়বস্তু বা প্ৰসংগত কোনো বিপৰীত অৰ্থ নাথাকিলে এই অধিনিয়মত,

[2] [(ক) "বোৰ্ড" পদে ধাৰা ৫ক ৰ অধীনত স্থাপিত হোৱা কোনো "ডক শ্ৰমিক বোৰ্ডক" বুজাব ;]

[3] [(কক) "মালবস্তু" পদে কোনো এখন জাহাজত বা আন কোনো জলযানত বোজাই দি কঢ়িয়াই নিয়া বা নিবলগীয়া হোৱা যি কোনো মালবস্তুক অন্তৰ্ভুক্ত কৰিব;]

(খ) "ডককৰ্মী" পদে কোনো এটা বন্দৰত বা কোনো বন্দৰৰ সমীপত "জাহাজৰ মালবস্তু" বোৰ বোজাই দিয়া, নমোৱা বা স্থানান্তৰ কৰা বা ভাণ্ডাৰত ৰখা কামবোৰ সম্পৰ্কে নিযুক্ত বা তেনেবোৰ কামত নিযুক্ত হ'বলগীয়া কোনো ব্যক্তিৰ, নাইবা বোজাই ভৰাবৰ নিমিত্তে বা বোজাই নমাবৰ নিমিত্তে বা বন্দৰ ত্যাগ কৰিবৰ নিমিত্তে জাহাজ বা আন জলযানবোৰক প্ৰস্তুত কৰা কামত নিযুক্ত বা নিযুক্ত হ'বলগীয়া কোনো ব্যক্তিক বুজাব;

(গ) কোনো এজন ডককৰ্মীৰ সম্বন্ধত "নিয়োজক" পদে যি জন ব্যক্তিৰ দ্বাৰা ডককৰ্মীজন উপৰোক্ত হিচাবে নিযুক্ত হয় বা নিযুক্ত হ'বলগীয়া হয়, সেই ব্যক্তিজনক বুজাব ;

(ঘ) "চৰকাৰ" পদে কোনো এটা মুখ্য বন্দৰৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰক আৰু আন কোনো বন্দৰৰ সম্বন্ধত [4] [ৰাজ্য] চৰকাৰক বুজাব ;

(ঙ) "আঁচনি" পদে এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো আঁচনিক বুজাব।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীটোৰ দ্বাৰা " 'খ' অংশৰ ৰাজ্যবোৰৰ বাহিৰে "কথাখিনিৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত (১৯৬২ চনৰ ১ জুনৰ পৰা)।

৩। সেই অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা (ক) দফাটোৰ পিচত (কক) দফাটো পুনঃ সংখ্যাঙ্কিত কৰা হৈছে (১৯৬২ চনৰ ১ জুনৰ পৰা)।

৪। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা প্ৰাদেশিক ৰ বাবে প্ৰতিষ্ঠাপিত।

কৰ্মীসকলৰ নিয়মিত নিয়োগ সুনিশ্চিত কৰাৰ নিমিত্তে আঁচনি।

৩। (১) কোনো বন্দৰত অধিকতৰ নিয়মিত ৰূপে নিয়োগ সুনিশ্চিত কৰিবৰ উদ্দেশ্যে, আৰু পঞ্জীভুক্ত হোৱা বা নোহোৱা ডককৰ্মীসকলৰ নিয়োজন বিনিয়মন কৰিবৰ অৰ্থে ডককৰ্মীসকলৰ [১][আৰু নিয়োজক সকলৰ] পঞ্জীয়নৰ বাবে কোনো আঁচনিৰ দ্বাৰা উপবন্ধ কৰিব পাৰে।

(২) কোনো আঁচনিয়ে বিশেষকৈ নিম্নোক্তসমূহৰ উপবন্ধ কৰিব পাৰে--

(ক) সেই আঁচনিত যি শ্ৰেণীৰ ডককৰ্মীসকলক আৰু নিয়োজক সকলক বিনিৰ্দিষ্ট কৰা হয় সেই শ্ৰেণীৰ ওপৰত আঁচনিখন প্ৰয়োগ কৰিবৰ নিমিত্তে ;

(খ) যিবিলাক বাধ্য-বাধকতা পূৰ্ণ কৰাৰ সাপেক্ষে আঁচনিখন ডককৰ্মী আৰু নিয়োজকসকলৰ ওপৰত প্ৰয়োগ হব পাৰে আৰু যিবোৰ পৰিস্থিতিত কোনো ডককৰ্মী বা নিয়োজকসকলৰ ওপৰত আঁচনিখন প্ৰয়োগ নোহোৱা হব, সেই বাধ্য-বাধকতা আৰু পৰিস্থিতিসমূহ পৰিভাষিত কৰিবৰ নিমিত্তে ;

(গ) ডককৰ্মীসকলৰ ভৰ্তিকৰণ আৰু আঁচনিখনত প্ৰবিষ্টিকৰণ বিনিয়মন কৰিবৰ নিমিত্তে আৰু পঞ্জীবোৰ চলাই ৰখা, পঞ্জীবোৰৰ পৰা অস্থায়ী বা স্থায়ী ৰূপে নামবোৰ অপসাৰণ কৰা আৰু পঞ্জীয়নৰ বাবে মাচুল নিৰ্দ্ধাৰণ কৰাকে ধৰি [২][ ডককৰ্মীসকলৰ আৰু নিয়োজক সকলৰ পঞ্জীয়নৰ ] নিমিত্তে ;

(ঘ) পঞ্জীভুক্ত হওক বা নহওক, ডককৰ্মীসকলৰ নিয়োগ বিনিয়মনৰ নিমিত্তে, আৰু পাৰিশ্ৰমিকৰ হাৰ, আৰু কেইঘণ্টা কাম কৰিব লাগে আৰু বন্ধৰ চৰ্তাৱলী আৰু তাৰ সম্বন্ধত দৰমহাকে অন্তৰ্ভুক্ত কৰি তেনে নিয়োজনৰ নিবন্ধন তথা চৰ্তসমূহ বিনিয়মন কৰিবৰ নিমিত্তে ;

(ঙ) যি সকল ডককৰ্মীৰ ওপৰত আঁচনিখন প্ৰয়োগ হয় আৰু যি সকলক কাম কৰাবলৈ পোৱা যায় সেই সকলে নিয়োজন বা পূৰ্ণ নিয়োজন নোপোৱা কালাৱধিৰ সম্বন্ধে এনে এটা ব্যৱস্থা অৱলম্বন কৰিব লাগে যাতে তেনেকুৱা কৰ্মীবোৰে আঁচনিখনৰ চৰ্ত সাপেক্ষে নিম্ন বেতন এটা পায় তাক সুনিশ্চিত কৰিবৰ নিমিত্তে ;

(চ) যিসকল ডককৰ্মীৰ ওপৰত আঁচনিখন প্ৰয়োগ নহয় সেই ডককৰ্মী সকলৰ নিয়োজন আৰু এই আঁচনিখন প্ৰয়োগ নোহোৱা নিয়োজকসকলৰ দ্বাৰা ডককৰ্মীসকলৰ নিয়োজন নিষিদ্ধ, নিৰ্বন্ধিত বা আন কোনো প্ৰকাৰে নিয়ন্ত্ৰিত কৰিবৰ নিমিত্তে ;

[৩][(চচ) আঁচনিখনৰ প্ৰয়োজনৰ বাবে আৱশ্যক বা সমীচীন হোৱা এনে কোনো নিধি বা নিধি সমূহৰ সৃষ্টি কৰিবৰ নিমিত্তে আৰু তেনে নিধি বা নিধিসমূহৰ প্ৰশাসনৰ নিমিত্তে; ]

---

১। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ৩(ক) ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত (১৯৬২ চনৰ ১ জুনৰ পৰা)।

২। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৩(খ)(i)ৰ দ্বাৰা "আৰু সেইবোৰৰ পঞ্জীয়ন" এই শব্দবোৰৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত।

৩। ১৯৮০ চনৰ ৪৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

(ছ) আঁচনিখনত থকাৰ বাহিৰে অন্যথা সন্তোষজনক ব্যৱস্থা নাথাকিলে, ডককৰ্মীসকলৰ প্ৰশিক্ষণৰ নিমিত্তে × *

[1][(ছছ) বোৰ্ডৰ পদাধিকাৰী আৰু আন আন কৰ্মচাৰীসকলৰ কল্যাণৰ নিমিত্তে; ]

× × × *

(ঝ) কি ৰীতিৰে আৰু কোন কোন ব্যক্তিৰ দ্বাৰা আঁচনি মতে কাম কৰি যোৱাৰ ব্যয় নিৰ্বাহ হব তাৰ নিমিত্তে ;

[2][(ঞ) আঁচনিখনৰ প্ৰশাসনৰ বাবে দায়িত্ব লবলৈ প্ৰাধিকাৰী গঠন

[3][xxx কৰিবৰ নিমিত্তে;]

(ট) আঁচনিখনৰ প্ৰয়োজনৰ বাবে আৱশ্যক বা সমীচীন হোৱা আনুষঙ্গিক আৰু অনুপূৰক বিষয়বোৰৰ নিমিত্তে।

(৩) আঁচনি এখনে এনে অতিৰিক্ত উপবন্ধ কৰিব পাৰে যে, আঁচনিখনৰ কোনো উলংঘন কৰিলে আঁচনিত বিনিৰ্দিষ্টকালৰ বাবে কাৰাবাসেৰে দণ্ডনীয় হব কিন্তু প্ৰথম উলংঘনৰ বাবে কোনো ক্ষেত্ৰতে তিনিমাহৰ আৰু পৰৱৰ্তী উলংঘনৰ বাবে কোনো ক্ষেত্ৰতে ছমাহৰ অধিক কালৰ বাবে কাৰাবাস নহব, অথবা বিনিৰ্দিষ্ট পৰিমাণৰ অৰ্থদণ্ডৰে দণ্ডনীয় হব কিন্তু প্ৰথম উলংঘনৰ বাবে কোনো ক্ষেত্ৰতে পাঁচশ টকাৰ আৰু পৰৱৰ্তী উলংঘনৰ বাবে কোনো ক্ষেত্ৰতে এহেজাৰ টকাৰ অধিক অৰ্থদণ্ডৰে দণ্ডনীয় নহব, নাইবা ওপৰত কোৱাৰ দৰে কাৰাবাস আৰু অৰ্থদণ্ড দুয়োটাৰে দণ্ডনীয় হব।

আঁচনিবোৰৰ প্ৰণয়ন, পৰিবৰ্ত্তন আৰু প্ৰত্যাহাৰ কৰা।

৪। (১) চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা আৰু পূৰ্ব প্ৰকাশিত আঁচনিৰ চৰ্ত্ত সাপেক্ষে কোনো এটা বন্দৰৰ বা একশ্ৰেণীৰ বন্দৰৰ বাবে এখন বা ততোধিক আঁচনি প্ৰস্তুত কৰিব পাৰে আৰু সেই ৰীতিৰে একেদৰে আৰু একে প্ৰকাৰৰ চৰ্ত্ত সাপেক্ষে, চৰকাৰে কৰা কোনো আঁচনিত সংযোজন, তেনে আঁচনিৰ সংশোধন, পৰিবৰ্ত্তন বা প্ৰত্যাহাৰ কৰিব পাৰে।

(২) ১৮৯৭ চনৰ সাধাৰণ খণ্ড অধিনিয়মৰ ২৩ ধাৰাৰ উপবন্ধবোৰ (১) উপধাৰামতে দিয়া ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য হব, যিদৰে পূৰ্ব প্ৰকাশিত চৰ্ত সাপেক্ষে নিয়মাৱলী প্ৰণয়ন কৰিবলৈ কোনো কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰা দিয়া ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। ১৮৯৭ৰ ১০

(৩) চৰকাৰে যিকোনো বন্দৰ এটাৰ প্ৰাধিকাৰীক বন্দৰটোৰ নিমিত্তে বন্দৰ প্ৰাধিকাৰীৰ সময়ে সময়ে দিয়া অনুদেশ অনুসৰি এখন বা ততোধিক আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিব পাৰে আৰু বন্দৰ প্ৰাধিকাৰীয়ে সেই নিৰ্দেশ পালন কৰিব।

---

*১৯৮৩ চনৰ ৫৪নং অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে।

১। ১৯৭০ চনৰ ৩১ নং অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত

২। ১৯৪৯ চনৰ ২৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা পূৰ্বৰ খণ্ড পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

৩। "লাগিলে নিগমিত নিকায় হওক বা অন্যথাই হওক" এই কথাখিনি ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে।

উপদেষ্টা সমিতি।

৫। (১) চৰকাৰে এই অধিনিয়ম প্ৰশাসনৰ পৰা উদ্ভৱ হোৱা যি কোনো বিষয়ত বা এই অধিনিয়মৰ অধীনত কৰা কোনো আঁচনিৰ পৰা উদ্ভৱ হোৱা যি কোনো বিষয়ে, যিবিলাকনেকি চৰকাৰে উপদেশৰ বাবে নিৰ্দেশিত কৰে তেনেবোৰ বিষয়ে উপদেশ দিবৰ বাবে এখন উপদেষ্টা সমিতি গঠন কৰিব পাৰে অথবা যদি ধাৰা ৪ মতে কোনো আঁচনি কৰিবলৈ চৰকাৰে সিদ্ধান্ত লয় তেনেহলে অৱশ্যেই তেনে এখন উপদেষ্টা সমিতি গঠন কৰিব।

[১][(২) উপদেষ্টা সমিতিখনৰ সদস্য সকলক চৰকাৰে নিযুক্ত কৰিব আৰু তেওঁলোকৰ সংখ্যা এনে হব লাগিব আৰু তেওঁলোকৰ বাছনি এনে ৰীতিৰে হব লাগিব যি সংখ্যা আৰু ৰীতি এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত কৰা হয়:

পৰন্ত, উপদেষ্টা সমিতিখনত নিম্নোক্তসমূহ প্ৰতিনিধিত্ব কৰা প্ৰতিটো পৰ্য্যায়ৰ সমান সংখ্যক সদস্য অন্তৰ্ভুক্ত হব লাগিব—

(i) চৰকাৰক প্ৰতিনিধিত্ব কৰা সদস্য,
(ii) ডককৰ্মীসকলক প্ৰতিনিধিত্ব কৰা সদস্য, আৰু,
(iii) ডককৰ্মীসকলৰ নিয়োজকসকলক আৰু পোতপৰিবহন কোম্পানীবোৰক প্ৰতিনিধিত্ব কৰা সদস্য।

(৩) উপদেষ্টা সমিতিৰ সভাপতিজন চৰকাৰক প্ৰতিনিধিত্ব কৰা সদস্যসকলৰ এজন আৰু তেওঁ এই মৰ্মে চৰকাৰৰ দ্বাৰা মনোনীত হব লাগিব।

(৪) চৰকাৰে উপদেষ্টা সমিতিখনৰ সকলো সদস্যৰ নাম চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব।

[২][৫ XXX XXX XXX]

ডক শ্ৰমিক বোৰ্ড।

[৩][৫ ক। (১) চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা কোনো এটা বা এক শ্ৰেণীৰ বন্দৰৰ বাবে "ডক শ্ৰমিক বোৰ্ড" স্থাপন কৰিব পাৰে আৰু অধিসূচনাখনত যথা বিনিৰ্দিষ্ট নামেৰে তেনে বোৰ্ড জ্ঞাত হব।

(২) তেনেকুৱা প্ৰত্যেকখন বোৰ্ড সম্পত্তি অৰ্জন, ধাৰণ আৰু হস্তান্তৰণ কৰিব পৰা আৰু সংবিদা সম্পাদন কৰিব পৰা ক্ষমতাৰে সৈতে শাশ্বত উত্তৰাধিকাৰ আৰু সাধাৰণ মোহৰ থকা উপৰোক্ত নামেৰে অভিহিত এটা নিগমিত নিকায় হ'ব আৰু সেই নামেৰে গোচৰ তৰিব বা গোচৰিত হব পাৰিব।

(৩) তেনেকুৱা প্ৰত্যেকখন বোৰ্ড এজন সভাপতি আৰু চৰকাৰে যিমান সংখ্যক সদস্য নিযুক্ত কৰে সিমান সংখ্যক অন্য সদস্যৰে গঠিত হব:

---

১। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ৪ ধাৰাৰ দ্বাৰা (২) উপধাৰাটোৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত (১৯৬২ চনৰ ১ জুনৰ পৰা)।

২। উক্ত অধিনিয়মৰ ৪ ধাৰাৰ দ্বাৰা (৫) উপধাৰাটো লোপ কৰা হৈছে (১৯৬২ চনৰ ১ জুনৰ পৰা)।

৩। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ৫ ধাৰাৰ দ্বাৰা ৫ কৰ পৰা ৫ গলৈ ধাৰাসমূহ অন্তঃস্থাপিত হৈছে (১৯৬২ চনৰ ১ জুনৰ পৰা।

পৰন্তু, তেনেকুৱা প্ৰত্যেক বোৰ্ডত নিম্নোক্ত সমূহ প্ৰতিনিধিত্ব কৰা প্ৰতিটো পৰ্য্যায়ৰ সমান সংখ্যক সদস্য অন্তৰ্ভুক্ত হব লাগিব—

(i) চৰকাৰক প্ৰতিনিধিত্ব কৰা সদস্য,

(ii) ডককৰ্মীসকলক প্ৰতিনিধিত্ব কৰা সদস্য, আৰু

(iii) ডককৰ্মীসকলৰ নিয়োজকসকলক আৰু পোতপৰিবহন কোম্পানীবোৰক প্ৰতিনিধিত্ব কৰা সদস্য।

(৪) বোৰ্ডৰ সভাপতিজন চৰকাৰক প্ৰতিনিধিত্ব কৰা সদস্যসকলৰ এজন আৰু তেওঁ এই মৰ্মে চৰকাৰৰ দ্বাৰা মনোনীত হব লাগিব।

বোৰ্ডৰ কৃত্য সমূহ।

৫ খ। (১)যিটো বন্দৰৰ বা যি শ্ৰেণীৰ বন্দৰৰ কাৰণে বোৰ্ডখন স্থাপন কৰা হয় সেই বন্দৰৰ বা সেই শ্ৰেণীৰ বন্দৰৰ সম্পৰ্কত আঁচনিখন কাৰ্য্যকৰী কৰাৰ বাবে বোৰ্ডখন উত্তৰদায়ী হব আৰু আঁচনিখনৰ দ্বাৰা বোৰ্ডৰ ওপৰত যিবোৰ কৃত্য আৰু ক্ষমতা অৰ্পণ কৰা হয় বোৰ্ডখনে সেইবোৰ ক্ষমতা প্ৰয়োগ আৰু সেইবোৰ কৃত্য নিৰ্বহন কৰিব।

(২) কোনো এখন বোৰ্ডে ইয়াৰ ক্ষমতাবোৰ প্ৰয়োগ কৰোঁতে আৰু কৃত্য সমূহ নিৰ্বহন কৰোঁতে, চৰকাৰে বোৰ্ডখনক লিখিতভাৱে দিয়া হোৱা কাৰণ বশতঃ সময়ে সময়ে যেনেবোৰ নিৰ্দেশ দি থাকে তেনেবোৰ নিৰ্দেশৰ দ্বাৰা বোৰ্ডখন দায়বদ্ধ থাকিব।

হিচাপ-পত্ৰ আৰু লেখা পৰীক্ষা।

৫গ। (১) প্ৰত্যেকখন বোৰ্ডে সঠিক হিচাপ-পত্ৰ আৰু আন আন প্ৰাসঙ্গিক অভিলেখ ৰাখিব লাগিব আৰু এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা যেনেকুৱা প্ৰপত্ৰ বিহিত কৰা হয়, তেনে প্ৰপত্ৰত তৈয়াৰ কৰা তুলনপত্ৰকে ধৰি হিচাপ-পত্ৰৰ বাৰ্ষিক বিৱৰণ এখন প্ৰস্তুত কৰিব লাগিব।

(২) বোৰ্ডৰ হিচাপ-পত্ৰবোৰৰ পৰীক্ষণ কাৰ্য্য প্ৰত্যেক বছৰে ভাৰতৰ নিয়ন্ত্ৰক মহালেখা পৰীক্ষকৰ দ্বাৰা নাইবা তৎকালীন বলবৎ থকা বিধি অনুসাৰে কোম্পানীবোৰৰ হিচাপ পৰীক্ষক হবৰ অৰ্হতা সম্পন্ন তথা চৰকাৰৰ দ্বাৰা যথা নিয়োজিত আন কোনো হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাব লাগিব।

(৩) হিচাপ পৰীক্ষক সকলে যুক্তিসংগত সকলো সময়তে বোৰ্ডৰ হিচাপ-পত্ৰৰ বহীবোৰ আৰু আন আন দলিলবোৰ চাব পাৰিব আৰু হিচাপ পৰীক্ষণৰ উদ্দেশ্যে তেওঁলোকে যেনেভাৱে প্ৰয়োজন বোধ কৰে তেনে স্পষ্টীকৰণ আৰু তথ্য খুজিব পাৰে অথবা বোৰ্ডৰ যিকোনো সদস্যক বা পদাধিকাৰীক পৰীক্ষা কৰিব পাৰে।

(৪) হিচাপ পৰীক্ষক সকলে বোৰ্ডৰ পৰীক্ষিত হিচাপৰ প্ৰতিলিপি এখনেৰে সৈতে তেওঁলোকৰ প্ৰতিবেদনৰ প্ৰতিলিপি এখন চৰকাৰলৈ অগ্ৰেষিত কৰিব।

(৫) চৰকাৰৰ দ্বাৰা যথা নিৰ্দ্ধাৰিত মতে হিচাপ পৰীক্ষণ কাৰ্য্যৰ ব্যয় বোৰ্ডৰ নিধিৰ পৰাই বহন কৰা হব। ]

বাৰ্ষিক প্ৰতিবেদন।

[1][ ৫ঘ। প্ৰত্যেকখন বোৰ্ডে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট এনে প্ৰ-পত্ৰত আৰু প্ৰত্যেক বিত্তীয় বছৰৰ এনে সময়ত, পূৰ্ব্বৰ বিত্তীয় বছৰৰ কালছোৱাত ইয়াৰ কামকাজৰ সম্পূৰ্ণ হিচাপ দি ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু ইয়াৰ এটা প্ৰতিলিপি চৰকাৰক দাখিল কৰিব লাগিব।

১। ১৯৮৮ চনৰ ৫৬ নং অধিনিয়মৰ দ্বাৰা ধাৰসমূহ ৫ঘ আৰু ৫ ঙ দ্বাৰা অন্তঃস্থাপিত

বাৰ্ষিক প্ৰতিবেদন আৰু পৰীক্ষিত হিচাপবোৰ সংসদ বা বিধান মণ্ডলৰ সন্মুখত উপস্থাপন কৰিব ।

৫৩ । বোৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন আৰু পৰীক্ষিত হিচাপবোৰ, এই সম্পৰ্কে হিচাপ পৰীক্ষকৰ প্ৰতিবেদন, আৰু চৰকাৰৰ দ্বাৰা বোৰ্ডৰ কাম-কাজৰ ওপৰত পুনৰ্বিলোকনসহ, বিত্তীয় বছৰৰ সামৰণিৰ ন মাহ কালৰ ভিতৰত সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত, যদিহে এনে প্ৰতিবেদন আৰু হিচাপপত্ৰ কেন্দ্ৰীয় চৰকাৰক দাখিল কৰা হৈছে আৰু ৰাজ্যৰ বিধান মণ্ডলৰ সন্মুখত উপস্থাপন কৰা হব, যদিহে এনে প্ৰতিবেদন আৰু হিচাপ-পত্ৰ ৰাজ্য চৰকাৰক দাখিল কৰা হৈছে ঃ

পৰন্তু য'ত এনে প্ৰতিবেদন, হিচাপপত্ৰ আৰু পুনৰ্বিলোকন ক্ষেত্ৰ-বিশেষে সংসদৰ সন্মুখত বা, ৰাজ্যৰ বিধান মণ্ডলৰ সন্মুখত উক্ত কাল-ছোৱাৰ ভিতৰত উপস্থাপন কৰা নহয়, তেন্তে সেইবোৰ তাৰ পিচত বিলম্বৰ বাবে কাৰণসহ তেনেদৰেই উপস্থাপন কৰা হব।]

পৰিদৰ্শকসকল ।

৬। (১) এই অধিনিয়মখনৰ প্ৰয়োজন সমূহৰ বাবে চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা যথা বিনিৰ্দিষ্ট বন্দৰবোৰত যেনেকুৱা ব্যক্তিবোৰক উপযুক্ত বুলি ভাবে তেনে ব্যক্তিক পৰিৰ্দশক ৰূপে নিয়োজিত কৰিব পাৰে।

(২) প্ৰতিজন পৰিদৰ্শকেই ভাৰতীয় দণ্ড সংহিতা, ১৮৬০ৰ অৰ্থৰ অন্তৰ্গত লোকসেৱক বুলি গণ্য হব। ১৮৬০ চনৰ ৪৫ নং অধিনিয়ম

(৩) যি কোনো বন্দৰৰ কাৰণে নিযুক্ত পৰিৰ্দশক এজনে, —

(ক) যি কোনো ঘৰ তথা প্ৰাঙ্গনত আৰু ডককৰ্মীসকল নিয়োজিত জলযানত, তেওঁ যেনে উপযুক্ত বুলি ভাবে তেনে সহায়তা লৈ (যদি থাকে) প্ৰবেশ কৰিব পাৰে ;

(খ) যি কোনো প্ৰাধিকাৰীক বা ব্যক্তিক ডককৰ্মীসকলৰ নিয়োগ সম্পৰ্কিত পঞ্জী, মাষ্টাৰ ৰোল বা আন কোনো নথি-পত্ৰ তেওঁক দিবলৈ দাবী কৰিব পাৰে আৰু তেনে নথি-পত্ৰ পৰীক্ষা কৰিব পাৰে;

(গ) বন্দৰটোৰ কাৰণে কৰা কোনো এখন আঁচনিৰ উপবন্ধ-সমূহ অনুপালন কৰা হৈছে নে নাই হোৱা এইটো থিৰাং কৰিবৰ উদ্দেশ্যে সেই ঠাইতেই বা অন্যথাই তেওঁ যিকোনো ব্যক্তিৰ সাক্ষ্য গ্ৰহণ কৰিব পাৰে।

(৪) চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা যি ৰীতিৰে আৰু কোন কোন ব্যক্তিৰ দ্বাৰা কোনো এখন আঁচনিৰ উপবন্ধ-সমূহ উলংঘন কৰাৰ বিষয়ে অভিযোগবোৰ কোনো এজন পৰিদৰ্শকৰ ওচৰত উত্থাপিত হব পাৰে, সেই সম্বন্ধে আৰু তেনেকুৱা অভিযোগবোৰৰ সম্বন্ধে পৰিদৰ্শকজনৰ কি কি কৰ্তব্য সেই সম্বন্ধে বিহিত কৰিব পাৰে।

তদন্ত কৰিবলৈ আদেশ দিয়াৰ ক্ষমতা ।

[1][৬ক। (১) চৰকাৰে যি কোনো সময়ত কোনো এটা পোতমণ্ডলৰ কাৰ্য্য পৰিচালনা কৰা সম্বন্ধে অনুসন্ধান বা তদন্ত কৰিবলৈ আৰু সেই বিষয়ে চৰকাৰক প্ৰতিবেদন দিবলৈ যি কোনো ব্যক্তিক নিযুক্ত কৰিব পাৰে,

---

১। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ৬ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত হৈছে (১৯৬২ চনৰ ১ জুনৰ পৰা)।

(২) ডককৰ্মী বোৰ্ডে তেনেকুৱাকৈ নিযুক্ত হোৱা ব্যক্তিজনক অনুসন্ধানটো বা তদন্তটো যথোচিত ৰূপে পৰিচালনা কৰিবলৈ সকলো সুবিধা দিব লাগিব আৰু বোৰ্ডৰ হাতত থকা, সেই ব্যক্তিজনৰ দৰ্কাৰ হব পৰা যিবোৰ নথি-পত্ৰ, হিচাপ বা তথ্য থাকে সেইবোৰ তেওঁৰ ওচৰত দাখিল কৰিব।

কোনো এক বোৰ্ডক অতিক্ৰমণ কৰাৰ ক্ষমতা।

৬ খ। (১) যদি ধাৰা ৬ক মতে বা আন প্ৰকাৰে দিয়া প্ৰতিবেদনখন বিবেচনা কৰি চাই চৰকাৰৰ এনে অভিমত হয় যে,

(ক) এটা গুৰুতৰ সংকট অৱস্থাৰ কাৰণে কোনো এখন বোৰ্ডে ইয়াৰ সেই কৃত্যসমূহ সম্পাদন কৰিবলৈ অপাৰগ হয়, নাইবা,

(খ) কোনো এখন বোৰ্ডে ইয়াৰ কৃত্যসমূহ পালন কৰাত একেবাহে ত্ৰুটি বা অৱহেলা কৰি আহিছে নাইবা ইয়াৰ ক্ষমতাবোৰ চেৰাই গৈছে বা ক্ষমতাৰ অপব্যৱহাৰ কৰিছে, তেন্তে চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা অধিসূচনাত বিনিৰ্দিষ্ট কৰা মতে তেনে কোনো সময়ৰ বাবে বোৰ্ডখনক অতিক্ৰমণ কৰিব পাৰে ঃ

পৰন্তু, (খ) দফাত উল্লিখিত যি কোনো এটা কাৰণত এই উপধাৰা অনুসৰি অধিসূচনা জাৰি কৰাৰ পূৰ্বে চৰকাৰে বোৰ্ডখনক কিয় অতিক্ৰমণ কৰা নহব তাৰ কাৰণ দৰ্শাবলৈ এটা যুক্তি সঙ্গত সুযোগ দিব লাগিব আৰু বোৰ্ডৰ স্পষ্টীকৰণ আৰু আপত্তি কিবা থাকিলে তাক বিবেচনা কৰিব লাগিব।

(২) উপধাৰা (১)ৰ অধীনত দিয়া অধিসূচনা প্ৰকাশ হলে—

(ক) বোৰ্ডৰ সকলো সদস্যই তেনেকুৱা জাননী প্ৰকাশ হবৰ দিনৰ পৰাই তেনেকুৱা সদস্য হিচাপে তেওঁলোকৰ পদবোৰ ৰিক্ত কৰি দিব ;

(খ) বোৰ্ডখনে প্ৰয়োগ কৰিব পৰা সকলোবোৰ ক্ষমতা বা সম্পাদন কৰিব পৰা সকলোবোৰ কৃত্য বোৰ্ডখনে অতিক্ৰমণ হৈ থকা কালছোৱাত অধিসূচনাত বিনিৰ্দিষ্ট কৰি দিয়া তেনে কোনো ব্যক্তিৰ দ্বাৰা প্ৰয়োগ কৰা বা সম্পাদন কৰা হব ;

(গ) বোৰ্ডখনে অতিক্ৰমণ হৈ থকা কালছোৱাত বোৰ্ডখনত ন্যস্ত থকা সকলো পূজি আৰু আন আন সম্পত্তি চৰকাৰত ন্যস্ত হব।

(৩) উপধাৰা (১)ৰ অধীনত দিয়া অধিসূচনাখনত বিনিৰ্দিষ্ট অতিক্ৰমণৰ কালছোৱাৰ সমাপ্তি হলে, চৰকাৰে—

(ক) আৱশ্যক বুলি বিবেচনা কৰা তেনে কোনো অতিৰিক্ত সময়লৈকে অতিক্ৰমণৰ কাল বঢ়াই দিব পাৰে, বা

(খ) ধাৰা ৫কত উপবন্ধিত অনুসাৰে বোৰ্ডখন পুনৰ স্থাপন কৰিব পাৰে ।

বোৰ্ড বা উপদেষ্টা সমিতিয়ে কৰা কাৰ্য্য বা কাৰ্য্যবাহীবোৰ অবিধিমান্য নহব।

৬ গ। কোনো বোৰ্ড বা উপদেষ্টা সমিতি এখনে কৰা কোনো কাৰ্য্য বা কাৰ্য্য-বাহী কেৱল মাথোন নিম্নোক্ত কোনো কাৰণবশতঃ অবিধিমান্য নহব ঃ

(ক) বোৰ্ডখনৰ বা উপদেষ্টা সমিতিৰ কোনো পদৰিক্তি বা তাৰ গঠনত কোনো ত্ৰুটি থকা হেতুকে, নাইবা

(খ) বোৰ্ডখনৰ বা উপদেষ্টা সমিতিখনৰ সদস্য হিচাপে কাম কৰা ব্যক্তি এজনৰ নিয়োগৰ কোনো ত্ৰুটি থকা হেতুকে, নাইবা

(গ) বিষয়টোৰ গুণাগুণত কোনো প্ৰভাৱ বিস্তাৰ নকৰাকৈ বোৰ্ড-খনৰ বা উপদেষ্টা সমিতিখনৰ কাৰ্য্য পদ্ধতিত কোনো অনিয়ম থকা হেতুকে।]

অপৰাধবোৰৰ সংজ্ঞান।

৭। (১) কোনো এজন পৰিদৰ্শকৰ দ্বাৰা নাইবা ইয়াৰ বাবে চৰকাৰে বিশেষ ৰূপে প্ৰাধিকাৰ দিয়া কোনো এজন ব্যক্তিৰ দ্বাৰা তেনে অপৰাধৰ বা তেনে অপপ্ৰেৰণাৰ তথ্যবোৰৰ এখন লিখিত প্ৰতিবেদন নিদিয়ালৈকে কোনো আঁচনিৰ দ্বাৰা দণ্ডনীয় কোনো অপৰাধ বা সেই অপৰাধটো কৰিবলৈ দিয়া অপপ্ৰেৰণাৰ বাবে কোনো ন্যায়ালয়ে তেনে কোনো অপৰাধৰ প্ৰতি সংজ্ঞান নলব।

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ত অন্তৰ্বিষ্ট যিকোনো কথা থকা সত্ত্বেও কোনো আঁচনিৰ দ্বাৰা দণ্ডনীয় কোনো অপৰাধ বা সেই অপৰাধৰ অপপ্ৰেৰণা কেৱল কোনো এজন প্ৰেচিডেন্সী দণ্ডাধিকাৰীৰ বা প্ৰথম শ্ৰেণীৰ দণ্ডাধিকাৰীৰ দ্বাৰাহে বিচাৰযোগ্য হব।

কোম্পানীৰ দ্বাৰা অপৰাধ।

[১][৭ ক। (ক) কোনো আঁচনিৰ দ্বাৰা দণ্ডনীয় অপৰাধটো কৰা বা তাৰ বাবে অপপ্ৰেৰণা দিয়া ব্যক্তি যদি কোনো কোম্পানী হয়, তেনেহলে যি সময়ত সেই অপৰাধটো বা তাৰ বাবে অপপ্ৰেৰণা দিয়া কাৰ্য্যটো কৰা হৈছিল সেই সময়ত কোম্পানীটোৰ কাৰবাৰ সঞ্চালনৰ বাবে যি সকল ব্যক্তিয়ে কোম্পানীটোত আছিল আৰু কোম্পানীটোৰ ওচৰত উত্তৰদায়ী আছিল তেনে প্ৰতিজন ব্যক্তিক তথা কোম্পানীটোক সেই অপৰাধটোৰ বাবে বা তাৰ বাবে দিয়া অপপ্ৰেৰণাৰ বাবে অপৰাধী বুলি গণ্য কৰা হব আৰু তেওঁৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবৰ বাবে আৰু তদনুসাৰে দণ্ডনীয় হবৰ বাবে তেওঁ দায়িত্বাধীন হব;

পৰন্তু, এই উপধাৰাটোত থকা কোনো কথাই তেনেকুৱা কোনো ব্যক্তিক কোনো ৰূপে দণ্ডিত হবৰ বাবে দায়ী নকৰিব যদিহে তেওঁ প্ৰমাণ কৰিব পাৰে যে অপৰাধটো বা তাৰ বাবে দিয়া অপপ্ৰেৰণাটো তেওঁৰ অজ্ঞাতসাৰে হৈছিল নাইবা তেনে অপৰাধ বা অপপ্ৰেৰণাৰ নিবাৰণ কৰিবলৈ তেওঁ যথোপযুক্ত তৎপৰতা অৱলম্বন কৰিছিল।

(২) উপধাৰা (১)ত অন্তৰ্বিষ্ট যিকোনো সত্ত্বেও যিক্ষেত্ৰত কোনো এখন আঁচনিৰ দ্বাৰা দণ্ডনীয় কোনো এটা অপৰাধ বা তাৰ বাবে দিয়া অপপ্ৰেৰণাটো কোনো এটা কোম্পানীৰ দ্বাৰা কৰা হৈছে আৰু এইটো প্ৰমাণিত হৈছে যে সেই অপৰাধটো বা তাৰ বাবে দিয়া অপপ্ৰেৰণাটো কোম্পানীৰ কোনো এজন সঞ্চালকৰ, পৰিচালকৰ, সচিবৰ বা আন কোনো পদাধিকাৰীৰ সন্মতিক্ৰমে বা মৌন সন্মতিক্ৰমে কৰা হৈছিল নাইবা সেইটো তেনে লোকৰ অৱহেলাত ঘটিছিল বুলি আৰোপ কৰিব পাৰি, তেতিয়াহলে তেনেকুৱা সঞ্চালক, পৰিচালক, সচিব বা আন আন পদাধিকাৰীক সেই অপৰাধটোৰ বাবে বা তাৰ বাবে দিয়া অপপ্ৰেৰণাৰ বাবে অপৰাধী বুলি গণ্য কৰা হব আৰু তেওঁৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবৰ বাবে আৰু তদনুসাৰে দণ্ডনীয় হবৰ বাবে তেওঁ দায়িত্বাধীন হব।

---

১। ১৯৭০ চনৰ ৩১ নং অধিনিয়মৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

স্পষ্টীকৰণ ঃ— এই ধাৰাটোৰ উদ্দেশ্যসমূহ সাধনৰ নিমিত্তে,

(ক) কোম্পানী অৰ্থে কোনো এটা নিগমিত নিকায় বুজাইছে আৰু কোনো ফাৰ্ম আৰু ব্যক্তিবৰ্গৰ আন কোনো সংস্থাকো ইয়াৰ অন্তৰ্ভুক্ত কৰিছে, আৰু

(খ) কোনো এখন ফাৰ্মৰ সম্পৰ্কত সঞ্চালক অৰ্থে সেই ফাৰ্মৰ ভাগীদাৰ এজনকো বুজাইছে।]

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

[1][ ৮। (১) চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা এই অধিনিয়মখনৰ উদ্দেশ্যবোৰ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষকৈ আৰু পূৰ্ব্ববৰ্ত্তী ক্ষমতাৰ সাৰ্ব্বজনীনতাৰ বিন্যাপক্ষপাতে তেনে নিয়মাৱলীয়ে নিম্নলিখিত উপবন্ধ কৰিব পাৰে —

(ক) উপদেষ্টা সমিতিখনৰ আৰু বোৰ্ডসমূহৰ গঠন সম্পৰ্কে আৰু উপদেষ্টা সমিতিখনৰ আৰু বোৰ্ডসমূহৰ সদস্য সকলৰ বাছনিৰ ৰীতি সম্পৰ্কে;

(খ) কোনো বোৰ্ড বা উপদেষ্টা সমিতিৰ সদস্যসকলৰ পদাৱধি সম্পৰ্কে আৰু সেই সকলৰ সাময়িক পদৰিক্তি পূৰণ কৰা ৰীতি সম্পৰ্কে ;

(গ) কোনো বোৰ্ড আৰু উপদেষ্টা সমিতিখনৰ বৈঠক সম্পৰ্কে, তেনে বৈঠকৰ বাবে থূল আৰু সেইবোৰত কাৰ্য্য পৰিচালনা সম্পৰ্কে ;

(ঘ) যিবোৰ চৰ্ত্ত সাপেক্ষে আৰু যি ধৰণে কোনো এখন বোৰ্ডৰ দ্বাৰা বা হকে সংবিদাসমূহ সম্পাদন কৰা হব সেই সম্পৰ্কে;

(ঙ) কোনো বোৰ্ড বা উপদেষ্টা সমিতিখনৰ সদস্যসকলক প্ৰদেয় ভাত্তা, যদি থাকে, সেই সম্পৰ্কে ;

(চ) কোনো বোৰ্ডৰ সদস্য পদৰ বাবে অযোগ্যতা সমূহৰ সম্পৰ্কে ;

(ছ) যি প্ৰপত্ৰত কোনো বোৰ্ডে ইয়াৰ হিচাপ-পত্ৰৰ বাৰ্ষিক বিৱৰণ আৰু তুলন পত্ৰ তৈয়াৰ কৰিব লাগিব সেই সম্পৰ্কে।]

[2][ (৩) XXXX XXXX]

---

১। ১৯৬২ চনৰ ৮ নং অধিনিয়মৰ ৭ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত হৈছে (১৯৬২ চনৰ ১ জুনৰ পৰা)।

২। ১৯৮০ চনৰ অধিনিয়ম নং ৪৯ৰ ধাৰা ৪ ৰ দ্বাৰা লোপ কৰা হৈছে।

**আঁচনি আৰু নিয়মাৱলী সংসদৰ আগত ৰাখিব লাগিব।**

[1][ ৮ ক। এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা প্ৰত্যেকখন আঁচনি আৰু প্ৰত্যেক নিয়মাৱলী, প্ৰণয়ন কৰাৰ পিচত যথা-শীঘ্ৰে অধিবেশন চলি থকা সময়ত সংসদৰ প্ৰত্যেক সদনৰ আগত সৰ্বমুঠ ত্ৰিশ দিনৰ বাবে ৰাখিব লাগিব, লাগিলে সেই কালাৱধি এটা অধিবেশনতেই হওক বা দুই বা ততোধিক ক্ৰমৱৰ্তী অধিবেশনতেই হওক, আৰু যদি যি অধিবেশনত ৰখা হয় সেই অধিবেশনৰ বা তাৰ ঠিক পিচৰ অধি-বেশনৰ বা উপৰোক্ত ক্ৰমৱৰ্তী অধিবেশনৰ সমাপ্তিৰ পূৰ্বে দুয়োটা সদনে তেনে আঁচনি বা নিয়মাৱলীৰ কোনো সালসলনি কৰিবলৈ সন্মত হয় অথবা তেনে আঁচনি বা নিয়মাৱলী উচিত নহয় বুলি সন্মত হয় তেনেহলে সেই আঁচনি বা নিয়মাৱলী তাৰ পিচৰ পৰা তেনে সালসলনিকৃত ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱহীন হব ঃ কিন্তু এনে সালসলনিয়ে বা বাতিলকৰণে সেই আঁচনি বা নিয়মাৱলীৰ অধীনত পূৰ্বে কৰা হোৱা কোনো কামৰ বিধিমান্যতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নেপেলায়।]

**ব্যাবৃত্তি।**

৯। ডককৰ্মী ( নিয়োগ বিনিয়মন ) সংশোধন অধিনিয়ম, ১৯৬২ ৰ প্ৰাৰম্ভণিৰ আগতে ৪ ধাৰা মতে কৰা হোৱা আঁচনি মতে, কোনো এটা বন্দৰৰ বা বন্দৰ শ্ৰেণীৰ বাবে স্থাপিত হোৱা আৰু তেনে প্ৰাৰম্ভণিৰ অব্য-ৱহিত পূৰ্বেই তেনেৰূপে কাৰ্য্য পৰিচালনা কৰি থকা প্ৰত্যেকখন ডক শ্ৰমিক বোৰ্ড ৫ ক ধাৰা মতে স্থাপিত হোৱা বোৰ্ড বুলি গণ্য কৰা হব আৰু তদনুসাৰে এই অধিনিয়মখনৰ সকলো উপবন্ধই তেনে প্ৰতিখন বোৰ্ডৰ ক্ষেত্ৰত প্ৰযোজ্য হব

---

১। ১৯৮০ চনৰ অধিনিয়ম নং ৪৯ৰ ৫ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

0—0—0

ডাকৰ্মী (নিয়োগ বিনিয়মন) অধিনিয়ম, ১৯৪৮

শুদ্ধবাণ

| পৃষ্ঠা | শাৰী | আছে | হব লাগে |
|---|---|---|---|
| (i) | ধাৰাসমূহৰ ক্ৰম ৬ খ | বোডক | বোৰ্ডক |
| ১ | পাদটোকা ৩ | সংখ্যায়িত | সংখ্যায়িত |
| ৩ | পাদটোকা ২ | খণ্ড | খণ্ডৰ |
| ৬ | [৬ক। প্ৰথম শাৰী | পোতমণ্ডলক | বোৰ্ডৰ |
| ৭ | ৬(২) প্ৰথম শাৰী | ডককৰ্মী বোৰ্ডে | বোৰ্ডে |
| ৮ | ৭(ক) অষ্টম শাৰী | তদনসাৰে | তদনুসাৰে |
| ১৩ | ৮ক। পঞ্চম শাৰী | আৰু যদি বি অধিবেশনত ৰখা হয় সেই অধিবেশনৰ বা তাৰ ঠিক পিচৰ অধিবেশনৰ বা উপৰোক্ত ক্ৰমবৰ্ত্তী অধি-বেশনৰ সমাপ্তিৰ পূৰ্বে | আৰু যদিহে, উক্ত অধিবেশনৰ বা পূৰ্বোক্ত ক্ৰমবৰ্ত্তী অধিবেশন সমূহৰ ঠিক পিচৰ অধিবেশনৰ অৱসানৰ পূৰ্বে। |
| ১১ | পাৰিভাষা | Short Tile | Short Title |
| ১১ | পাৰিভাষা ৩(২) (ঘ) | নিবান্ধন | নিবন্ধন |